**“মৰমৰ সন্তানসকল – পিতাৰ এইখন আচৰিত দোকান য'ত সকলো ধৰণৰ বস্তু পোৱা যায়, সেই দোকানৰ তোমালোক হৈছা মালিক”**

প্ৰশ্ন: এই আচৰিত দোকানীজনক কোনেও নকল কৰিব নোৱাৰে কিয়?

উত্তৰ: কিয়নো এওঁ নিজেই সকলো সম্পদৰ ভঁৰাল। জ্ঞান, সুখ, শান্তি, পৱিত্ৰতা, সকলো বস্তুৰ সাগৰ, যাক যি লাগে সেয়া পাব পাৰে। নিবৃত্তি মাৰ্গৰসকলৰ ওচৰত এইবোৰ বস্তু পাব নোৱাৰে। কোনেও নিজক পিতাৰ সমান সাগৰ বুলি ক'ব নোৱাৰে।

গীত: তুম্হে পাকে হমনে.... (তোমাক পাই আমি...)

ওঁম্ শান্তি। এতিয়া সন্তানসকল বেহদৰ পিতাৰ সন্মুখত বহি আছে। এওঁক বেহদৰ পিতা বুলিও কোৱা হয় সেইদৰে বেহদৰ দাদা বুলিও কোৱা হয় আকৌ বেহদৰ সন্তানসকল বহি আছে আৰু পিতাই বেহদৰ জ্ঞান দি আছে। হদৰ কথা এতিয়া আঁতৰিল। এতিয়া পিতাৰ পৰা বেহদৰ উত্তৰাধিকাৰ ল’ব লাগে। এইখন এখনেই দোকান। মনুষ্যই গম নাপায় যে আমি কি বিচাৰোঁ। বেহদৰ পিতাৰ দোকানতো বহুত ডাঙৰ। তেওঁক কোৱা হয় সুখৰ সাগৰ, পৱিত্ৰতাৰ সাগৰ, আনন্দৰ সাগৰ, জ্ঞানৰ সাগৰ... কোনোবা দোকানী হ'লে তেতিয়া তেওঁৰ ওচৰত বিভিন্ন সামগ্ৰী থাকে। গতিকে এওঁ হ'ল বেহদৰ পিতা। এওঁৰ ওচৰতো বিভিন্ন ধৰণৰ সামগ্ৰী আছে। কি কি আছে? বাবা জ্ঞানৰ সাগৰ, সুখ, শান্তিৰ সাগৰ। এওঁৰ ওচৰত এয়া আচৰিত, অলৌকিক সামগ্ৰী আছে। আকৌ গায়নো কৰা হয় - সুখকৰ্তা। এয়া এখনেই দোকান আৰুতো কাৰো এনেকুৱা দোকান নাই। ব্ৰহ্মা-বিষ্ণু-শঙ্কৰৰ ওচৰত কি সামগ্ৰী আছে? একোৱে নাই। সকলোতকৈ শ্ৰেষ্ঠ সামগ্ৰী আছে পিতাৰ ওচৰত সেয়েহে তেওঁৰ মহিমা গোৱা হয়। “ত্বমেব মাতাশ্চ পিতা...” এনেকুৱা মহিমা কেতিয়াও কাৰো গায়ন কৰা নহয়। মনুষ্য শান্তিৰ কাৰণে দিগভ্ৰান্ত হৈ ভ্ৰমি ফুৰে। কাৰোবাক দৰব লাগে, কাৰোবাক আন কিবা লাগে। এয়া সকলো হদৰ দোকান। গোটেই জগতত সকলোৰে ওচৰত হদৰ সামগ্ৰী আছে। এয়া এজনেই পিতা যাৰ ওচৰত বেহদৰ সামগ্ৰী আছে। সেয়েহে তেওঁৰ মহিমাও গায় - পতিত-পাৱন, মুক্তিদাতা, জ্ঞানৰ সাগৰ, আনন্দৰ সাগৰ। এয়া সকলোবোৰ বিচিত্ৰ সামগ্ৰী। তালিকা উলিয়ালে বহুত হৈ যাব। যিজন পিতাৰ ওচৰত এই সামগ্ৰীবোৰ আছে গতিকে সন্তানসকলৰো সেইবোৰৰ ওপৰত অধিকাৰ আছে। কিন্তু এইটো কাৰো বুদ্ধিত উদয় নহয় যে যিহেতু এনেকুৱা পিতাৰ আমি সন্তান তেন্তে পিতাৰ সামগ্ৰীবোৰৰ আমি মালিক হোৱা উচিত। পিতা আহেও ভাৰতত। পিতাৰ ওচৰত সকলো সামগ্ৰী আছে - সেইবোৰ নিশ্চয় লৈ আহিব। তেওঁৰ ওচৰত ল’বলৈতো যাব নোৱাৰে। পিতাই কয়, মই আহিবলগীয়া হয়। কল্পই কল্পই, কল্পৰ সংগমত মই আহি তোমালোকক সকলোবোৰ সামগ্ৰী দি যাওঁ। মই তোমালোকক যিবোৰ সামগ্ৰী দিওঁ, সেইবোৰ পাছত কেতিয়াও পাব নোৱাৰা। আধাকল্পৰ কাৰণে তোমালোকৰ ভঁৰাল ভৰপূৰ হৈ যায়। এনেকুৱা কোনো অপ্ৰাপ্ত বস্তু নাথাকে যাৰ কাৰণে আহ্বান কৰিবলগীয়া হ’ব। ড্ৰামাৰ পৰিকল্পনা অনুসৰি তোমালোক সকলোৱে উত্তৰাধিকাৰ লৈ আকৌ লাহে লাহে ছিৰি নামি আহা (অৱনমিত হোৱা)। পুনৰ্জন্মও নিশ্চয় ল’ব লাগে। 84 জন্মও ল’ব লাগে। 84ৰ চক্ৰ বুলি কয় কিন্তু অৰ্থ বুজি নাপায়। 84ৰ সলনি 84 লাখ জন্ম বুলি কৈ দিয়ে। মায়াই ভুল কৰাই দিয়ে। এইটো এতিয়া তোমালোকে বুজি পোৱা পাছলৈতো এয়া সকলো পাহৰি যাবা। এই সময়ত সামগ্ৰী লোৱা, সত্যযুগত ৰাজত্ব কৰা। কিন্তু তেওঁলোকে এয়া গম নাপায় যে এই বাদশ্বাহী আমাক কোনে দিলে? লক্ষ্মী-নাৰায়ণৰ ৰাজ্য কেতিয়া আছিল? স্বৰ্গৰ সুখৰ গায়নো কৰা হয়। সকলো ধৰণৰ সুখ দিয়ে। ইয়াতকৈ বেছি কোনো সুখ নাথাকে। পাছত সেই সুখো প্ৰায় লোপ হৈ যায়। আধাকল্পৰ পাছত ৰাৱণ আহি সকলো সুখ কাঢ়ি লয়। কোনোবাই ক্ৰোধ কৰিলে তেতিয়া কয় - তোমাৰ কলা সৌন্দৰ্যই শেষ হৈ গ’ল। তোমালোক সৰ্বগুণ সম্পন্ন, 16 কলা সম্পূৰ্ণ আছিলা, সেই কলা সকলোবোৰ শেষ হৈ গ’ল। এজন পিতাৰ বাহিৰে অন্য কাৰো ইমান মহিমা নাই। এনেকৈ কয় নহয় যে যদি ধন আছে তেন্তে চাৰিওফালে ভ্ৰমণ কৰি আহা।

তোমালোকে বিচাৰ কৰা যে স্বৰ্গত কিমান প্ৰচুৰ ধন-সম্পদ আছিল। এতিয়া সেইবোৰ আছে জানো। সকলো নাইকিয়া হৈ যায়। ধৰ্ম ভ্ৰষ্ট, কৰ্ম ভ্ৰষ্ট হৈ যায়। সেয়েহে ধন-সম্পদো নাইকিয়া হৈ যায় তেতিয়া অৱনমিত হ’বলৈ ধৰে। পিতাই বুজায় – তোমালোকক ইমান ধন দিলোঁ, তোমালোকক হীৰাতুল্য কৰি তুলিলোঁ। আকৌ তোমালোকে ধন-সম্পদ, ক’ত হেৰুৱাই পেলালা? এতিয়া পুনৰ পিতাই কয় যে নিজৰ উত্তৰাধিকাৰ পুৰুষাৰ্থ কৰি লৈ লোৱা। তোমালোকে জানা যে বাবাই আমাক পুনৰ স্বৰ্গৰ বাদশ্বাহী দি আছে আৰু কয়, হে সন্তানসকল মোক স্মৰণ কৰা তেতিয়া তোমালোকৰ যি মামৰ লাগি

আছে, সেয়া আঁতৰি যাব। সন্তানসকলে কয় - বাবা আমি পাহৰি যাওঁ। এয়া কি? কন্যাসকলৰ যেতিয়া বিয়া হয় তেতিয়া স্বামীক কেতিয়াবা পাহৰি যায় জানো! সন্তানে কেতিয়াবা পিতাকক পাহৰি যায় জানো? পিতাতো দাতা হয়। সন্তানসকলে উত্তৰাধিকাৰ ল'বলৈ হ'লে নিশ্চয় স্মৰণ কৰিব লাগিব। পিতাই বুজায় – অতি মৰমৰ সন্তানসকল, স্মৃতিৰ যাত্ৰাত থাকিলে বিকৰ্ম বিনাশ হ'ব আৰু কোনো উপায় নাই। ভক্তিমাৰ্গত তীৰ্থ যাত্ৰা, গংগা স্নান আদি কৰি আহিছা তথাপিও ছিৰি তললৈ নামিহে আহিছা। ওপৰলৈতো উঠিব নোৱাৰা। বিধিয়ে নকয়। সকলোৰে অৱৰোহণ কলাই হয়। এনেকৈ যি কয় যে অমুক মুক্তিত গ'ল, এয়া মিছা কথা কয়। কোনেও উভতি যাব নোৱাৰে। বাবাৰ আগমনেই হৈছে তোমালোকক 16 কলা সম্পূৰ্ণ কৰি তুলিবলৈ। তোমালোকেই গাইছিলা যে মোৰ নিৰ্গুণীৰ কোনো গুণ নাই... এতিয়া তোমালোকে জানা যে পিতাই গুণৱান কৰি তোলে। আমিয়েই গুণৱান, পূজ্য আছিলোঁ। আমি উত্তৰাধিকাৰ লৈছিলোঁ। 5 হাজাৰ বছৰ হ'ল। পিতায়ো কয় যে তোমালোকক উত্তৰাধিকাৰ দি গৈছিলোঁ। শিৱজয়ন্তী, ৰক্ষাবন্ধন, দশহৰা আদি পালনো কৰে তথাপিও একোৱেই বুজি নাপায়। সকলোবোৰ পাহৰি যায়। পুনৰ পিতা আহি সোঁৱৰাই দিয়ে। তোমালোকেই আছিলা পুনৰ তোমালোকে ৰাজ্য-ভাগ্য হেৰুৱাই পেলালা। পিতাই বুজায় – এতিয়া এই গোটেই সৃষ্টি পুৰণি, জৰাজীৰ্ণ অৱস্থা। সৃষ্টিতো এইখনেই। এইখন ভাৰতেই নতুন আছিল, এতিয়া পুৰণি হ'ল। স্বৰ্গত সদায় সুখ থাকে। পুনৰ দ্বাপৰৰ পৰা যেতিয়া দুখ আৰম্ভ হয় তেতিয়া এই বেদ-শাস্ত্ৰ আদি ৰচনা কৰে। ভক্তি কৰি কৰি যেতিয়া তোমালোকে ভক্তি পূৰা কৰা তেতিয়া ভগৱান আহে নহয়। ব্ৰহ্মাৰ দিন, ব্ৰহ্মাৰ ৰাতি। আধা আধা হ'ব নহয়। জ্ঞান দিন, ভক্তি ৰাতি। তেওঁলোকেতো কল্পৰ আয়ুসেই ওলট-পালট কৰি দিছে।

গতিকে পোন-প্ৰথমে তোমালোকে সকলোকে পিতাৰ মহিমা বহি শুনোৱা। পিতা জ্ঞানৰ সাগৰ, শান্তিৰ সাগৰ। শ্ৰীকৃষ্ণক জানো এনেকৈ ক'ব – নিৰাকাৰ পতিত-পাৱন, সুখৰ সাগৰ... নকয়, তেওঁৰ মহিমাই ভিন্ন। ৰাতি-দিনৰ পাৰ্থক্য আছে। শিৱক বাবা বুলিয়েই কয়। শ্ৰীকৃষ্ণ বাবা কথাষাৰ শোভা নাপায়। কিমান ডাঙৰ ভুল। আকৌ সৰু সৰু ভুল কৰোঁতে 100 শতাংশ ভুল হৈ গ'ল। পিতাই কয় – সন্ন্যাসীসকলৰ পৰা কেতিয়াও এনেকুৱা চুক্তিৰ প্ৰস্তাৱ পাব নোৱাৰা। তেওঁলোক হৈছেই নিবৃত্তি মাৰ্গৰ। তোমালোক হৈছা প্ৰবৃত্তি মাৰ্গৰ। তোমালোক সম্পূৰ্ণ নিৰ্বিকাৰী আছিলা, বিকাৰ ৰহিত বিশ্ব আছিল। এইখন হৈছে বিকাৰী বিশ্ব। আকৌ কয় – সত্যযুগত সন্তান জন্ম নহয় নেকি? তাতো বিকাৰ আছিল। হেৰ', সেইখন হৈছেই সম্পূৰ্ণ নিৰ্বিকাৰী সৃষ্টি। সম্পূৰ্ণ নিৰ্বিকাৰী আকৌ বিকাৰী কেনেকৈ হ'ব পাৰে? আকৌ সত্যযুগত ইমানবোৰ মনুষ্য থাকিব, এয়া কেনেকৈ হ'ব পাৰে। তাত ইমান মনুষ্য থাকে জানো। ভাৰতৰ বাহিৰে অন্য কোনো খণ্ড নাথাকিব। তেওঁলোকে কয়ো আমি মানি ল'ব নোৱাৰোঁ। সৃষ্টিতো সদায় ভৰপূৰ হৈ থাকে, একোৱেই বুজি নাপায়। পিতাই বুজায় যে ভাৰতত সোণালী যুগ আছিল। এতিয়াতো লৌহ যুগ পাথৰ বুদ্ধিৰ। এতিয়া তোমালোক সন্তানসকলে ড্ৰামাখনক বুজি ল'লা। গান্ধী আদি সকলোৱে ৰামৰাজ্য বিচাৰিছিল। কিন্তু দেখুৱায় যে মহাভাৰতৰ যুদ্ধ লাগিল। বচ্, তাৰপাছত খেলা খতম্। আকৌ কি হ'ল? একোৱেই দেখুওৱা নাই। পিতাই বহি এয়া বুজায়। এয়াতো একেবাৰে সহজ। শিৱজয়ন্তী পালন কৰে - তেন্তে নিশ্চয় শিৱবাবা আহে। তেওঁ হ'ল স্বৰ্গীয় ঈশ্বৰ পিতা, তেন্তে নিশ্চয় স্বৰ্গৰ দ্বাৰ মুকলি কৰিবলৈ আহিব। আহিবও তেতিয়া, যেতিয়া নৰক হ'ব। স্বৰ্গৰ দ্বাৰ মুকলি কৰি নৰকৰ দ্বাৰ বন্ধ কৰি দিব। স্বৰ্গৰ দ্বাৰ মুকলি কৰিলে তেতিয়াতো নিশ্চয় সকলো স্বৰ্গলৈহে আহিব। এই কথাবোৰ কঠিন নহয়। মহিমা কেৱল এজন পিতাৰেই। শিৱবাবাৰ এখনেই দোকান। তেওঁ হৈছে বেহদৰ পিতা। বেহদৰ পিতাৰ দ্বাৰা ভাৰতে স্বৰ্গৰ সুখ পায়। বেহদৰ পিতাই স্বৰ্গ স্থাপন কৰে। যথাযথ বেহদৰ সুখ আছিল। তেন্তে আমি নৰকত কিয় পৰি আছোঁ? এয়া কোনেও নাজানে। পিতাই বুজায় যে তোমালোকেই আছিলা আকৌ তোমালোকেই অৱনমিত হৈছা। দেৱতাসকলেই 84 জন্ম ল'বলগীয়া হয়। এতিয়া আহি পতিত হ'ল। তেওঁলোকেই পুনৰ পাৱন হ'ব লাগে। পিতাৰো জন্ম হয় তেন্তে ৰাৱণৰো জন্ম হয়। এয়া কোনেও গম নাপায়। কাৰোবাক সোধা যে ৰাৱণক কেতিয়াৰ পৰা জ্বলাই অহা হৈছে? তেতিয়া ক'ব সেয়াতো অনাদি চলি আহিছে। এই সকলোবোৰ ৰহস্য পিতাই বুজায়। সেই পিতাৰ এখনেই দোকানৰ মহিমা আছে। সুখ-শান্তি-পৱিত্ৰতা মনুষ্যৰ পৰা মনুষ্যই পাব নোৱাৰে। কেৱল এজনেই জানো শান্তি পাইছিল। এওঁলোকে মিছাকৈ কয় যে অমুকৰ পৰা শান্তি পালোঁ। হেৰ' শান্তিতো পোৱা যাব – শান্তিধামত। ইয়াততো এজনে শান্তি পালে আকৌ অন্যই অশান্তি কৰিলে তেতিয়া শান্তিত থাকিব নোৱাৰিব। সুখ-শান্তি-পৱিত্ৰতা সকলো সামগ্ৰীৰ বেপাৰী এজনেই শিৱবাবা। তেওঁৰ সৈতে কোনোবাই আহি বেপাৰ কৰক। তেওঁক কোৱা হয় সদাগৰ, পৱিত্ৰতা, সুখ-শান্তি-সম্পত্তি সকলোবোৰ তেওঁৰ ওচৰত আছে। অপ্ৰাপ্ত কোনো বস্তু নাই। স্বৰ্গৰ তোমালোকে ৰাজ্য-ভাগ্য পোৱা। পিতাতো দিবলৈ আহিছে, লওঁতাসকলে লৈ লৈ ভাগৰি পৰে। মই আহোঁৱেই দিবলৈ আৰু তোমালোকে লোৱাৰ ক্ষেত্ৰত ঠাণ্ডা হৈ যোৱা। সন্তানসকলে কয়, বাবা মায়াৰ ধুমুহা আহে। হয়, পদো বহুত উচ্চ পাব লাগে। স্বৰ্গৰ মালিক হোৱা। এয়া জানো কম কথা! গতিকে পৰিশ্ৰম কৰিব লাগে। শ্ৰীমতত চলি থাকা। যি সামগ্ৰী পোৱা যায় সেয়া আকৌ অন্যকো দিব লাগে। দান কৰিবলগীয়া হয়। পৱিত্ৰ হ'বলৈ হ'লে 5 বিকাৰৰ দান নিশ্চয় দিব লাগে।

পৰিশ্ৰম কৰিব লাগে। পিতাক স্মৰণ কৰিব লাগে, তেতিয়াহে মামৰ আঁতৰিব। মুখ্য হৈছে স্মৃতি। লাগিলে প্ৰতিজ্ঞা কৰা যে বাবা মই বিকাৰগ্ৰস্ত কেতিয়াও নহওঁ, কাকো ক্ৰোধ নকৰোঁ। কিন্তু স্মৃতিত নিশ্চয় থাকিব লাগে। নহ'লে ইমান পাপ কেনেকৈ বিনাশ হ'ব। বাকী জ্ঞানতো অতি সহজ। 84 জন্মৰ চক্ৰ কেনেকৈ পৰিক্ৰমা কৰিলা, এয়া যিকোনো লোককে তোমালোকে বুজাব পাৰা। বাকী স্মৃতিৰ যাত্ৰাত পৰিশ্ৰম আছে। ভাৰতৰ প্ৰাচীন যোগ প্ৰসিদ্ধ। কি জ্ঞান দিয়ে? 'মনমনাভৱ' (নিজক আত্মা বুলি বুজি পৰমপিতা শিৱক স্মৰণ কৰা) অৰ্থাৎ মামেকম্ (কেৱক মোক; পৰমপিতাক) স্মৰণ কৰা তেতিয়া তোমালোকৰ বিকৰ্ম বিনাশ হ'ব। তোমালোকে গায়নো কৰিছিলা যে আপুনি যেতিয়া আহিব তেতিয়া অন্যৰ সংগ এৰি এজনৰ সংগ ল'ম। আপোনাৰ প্ৰতি উৎসৰ্গিত হ'ম। আপোনাৰ বাহিৰে অন্য কাকো স্মৰণ নকৰোঁ। প্ৰতিজ্ঞা কৰিছা আকৌ কিয় পাহৰি যোৱা? এনেকৈ কয়ো যে হাতেৰে কাম কৰি অন্তৰেৰে পৰমপিতাক স্মৰণ কৰা… কৰ্মযোগীতো তোমালোক হোৱা। পেছাগত কাম-কাজ আদি কৰি থাকিও বুদ্ধিৰ যোগসূত্ৰ পিতাৰ সৈতে গঢ়িব লাগে। প্ৰেমিক পিতাই নিজেই কয়, তোমালোক প্ৰেমিকাসকলে আধাকল্প স্মৰণ কৰিছা। এতিয়া মই আহিছোঁ, মোক স্মৰণ কৰা। এই স্মৃতিয়েই বাৰে বাৰে পাহৰি যায়, এই ক্ষেত্ৰতে পৰিশ্ৰম হয়। কৰ্মাতীত অৱস্থা হৈ গ'লেতো তেতিয়া এই শৰীৰেই ত্যাগ কৰিব লাগিব। যেতিয়া ৰাজধানী স্থাপন হৈ যাব তেতিয়া তোমালোকে কৰ্মাতীত অৱস্থা পাবা। এতিয়াতো সকলো পুৰুষাৰ্থী। সকলোতকৈ অধিক মম্মা-বাবাই স্মৰণ কৰে। সূক্ষ্মলোকতো তেওঁলোকক দেখিবলৈ পোৱা যায়।

পিতাই বুজায় - মই যাৰ শৰীৰত প্ৰৱেশ কৰোঁ, তেওঁ বহুত জন্মৰ অন্তৰ জন্মত আছে। তেৱোঁ পুৰুষাৰ্থ কৰি আছে। কৰ্মাতীত অৱস্থাত এতিয়া কোনেও উপনীত হ'ব নোৱাৰে। কৰ্মাতীত অৱস্থা হৈ গ'লে তেতিয়া এই শৰীৰ থাকিব নোৱাৰে। বাবাইতো বহুত ভালদৰে বুজায়। বাকী বুজোঁতাসকলৰ বুদ্ধিৰ ওপৰত নিৰ্ভয় কৰে। স্বৰ্গীয় ঈশ্বৰ পিতা এজনে। তেওঁৰ ওচৰতেই জ্ঞানৰ গোটেই সামগ্ৰী আছে। তেৱেঁই যাদুকৰ। অন্য কাৰো পৰা সুখ-শান্তি-পৱিত্ৰতাৰ উত্তৰাধিকাৰ পাব নোৱাৰে। পিতাই বহুত ভালদৰে বুজায়। সন্তানসকলে ধাৰণ কৰি আৰু ধাৰণ কৰাব লাগে। যিমানে ধাৰণা কৰে, সিমানে উত্তৰাধিকাৰ লয়। দিনে-প্ৰতিদিনে বহুত পুষ্টিকৰ বস্তু পোৱা যায়। লক্ষ্মী-নাৰায়ণক চোৱা কিমান মধুৰ। তেওঁলোকৰ দৰে মধুৰ হ'ব লাগে। ভাল বাৰু!

অতি মৰমৰ, কল্পৰ পাছত পুনৰাই লগ পোৱা সন্তানসকলৰ প্ৰতি মাতা-পিতা বাপদাদাৰ স্নেহপূৰ্ণ স্মৰণ আৰু সুপ্ৰভাত। আত্মিক পিতাৰ আত্মিক সন্তানসকলক নমস্কাৰ। অন্য কোনো সৎসঙ্গত এনেকৈ কয় জানো? এয়া আমাৰ একেবাৰে নতুন ভাষা, যাক আধ্যাত্মিক জ্ঞান বুলি কোৱা হয়। বাৰু!

*ধাৰণাৰ বাবে মুখ্য সাৰ:-**

(1) পিতাৰ দ্বাৰা সুখ-শান্তি-পৱিত্ৰতাৰ যি সম্পদ পাইছা সেয়া সকলোকে দিব লাগে। প্ৰথমে বিকাৰৰ দান দি পৱিত্ৰ হ'ব লাগে তাৰপাছত অবিনাশী জ্ঞান ধন দান কৰিব লাগে।

(2) দেৱতাসকলৰ দৰে মধুৰ হ'ব লাগে। বাপদাদাৰ আগত যি প্ৰতিজ্ঞা কৰিছা, সেয়া সদায় স্মৃতিত ৰাখিব লাগে আৰু পিতাৰ স্মৃতিত থাকি বিকৰ্মও বিনাশ কৰিব লাগে।

বৰদান:

নিমিত্তভাৱৰ স্মৃতিৰে নিজৰ প্ৰতিটো সংকল্পৰ প্ৰতি মনোযোগ দিওঁতা নিবাৰণ স্বৰূপ হোৱা

নিমিত্ত হোৱা আত্মাসকলৰ ওপৰত সকলোৰে দৃষ্টি থাকে, সেয়েহে নিমিত্ত হোৱাসকলে বিশেষকৈ নিজৰ প্ৰতিটো সংকল্পৰ প্ৰতি মনোযোগ দিব লাগে। যদি নিমিত্ত হোৱা সন্তানেও কিবা কাৰণ শুনায়, তেন্তে তেওঁলোকক অনুসৰণ কৰাসকলেও অনেক কাৰণ শুনাই দিয়ে। যদি নিমিত্ত হোৱাসকলৰ মাজত কিবা ক্ৰুটি থাকে, তেন্তে সেয়া লুকাই থাকিব নোৱাৰে, সেয়েহে বিশেষকৈ নিজৰ সংকল্প, বাণী আৰু কৰ্মৰ প্ৰতি মনোযোগ দি নিবাৰণ স্বৰূপ হোৱা।

শ্লোগান: জ্ঞান স্বৰূপ আত্মা তেওঁৱেই, যাৰ নিজৰ গুণ বা বিশেষত্বৰো কোনো অভিমান নাই।

!! ওঁম্ শান্তি !!

অব্যক্ত ইংগিত:- মহান হ'বলৈ মধুৰতা আৰু নম্ৰতাৰ গুণ ধাৰণ কৰা

মধুৰতাৰ গুণ জীৱনত তেতিয়া আহিব যেতিয়া নিজৰ বা আনৰ অতীতৰ কথাবোৰ নাচাই ভিতৰৰ সংস্কাৰসমূহ সৰল

আৰু নম্ৰচিত্ত কৰি তুলিব। সৰলচিত্ত আত্মাৰ গুণেই হৈছে মধুৰতা। তেওঁলোকৰ নয়নত মধুৰতা, মুখত মধুৰতা আৰু চাল-চলনত মধুৰতা প্ৰত্যক্ষভাৱে দেখিবলৈ পোৱা যায়। মধুৰতা আৰু নম্ৰতা—এই দুটা বিশেষ ধাৰণাৰ দ্বাৰা সদায় বিশ্ব কল্যাণকাৰী, মহাদানী, বৰদানী হৈ যাবা আৰু সহজেই স্নেহৰ প্ৰমাণ দিব পাৰিবা।

[বি:দ্ৰ: - প্ৰজাপিতা ব্ৰহ্মাকুমাৰী ঈশ্বৰীয় বিশ্ব বিদ্যালয়ৰ নিয়মীয়া বিদ্যাৰ্থীসকলৰ বাবে]